## একচেটিয়া ব্যৱসায়ৰ হ্ৰস্বকালীন ভাৰসাম্য

## [Short run Equilibrium under Monopoly]

একচেটিয়া ব্যৱসায়ত হ্ৰস্বকালীন ভাৰসাম্যতা আৰু দীৰ্ঘকালীন ভাৰসাম্যতাৰ পাৰ্থক্য নাই। কাৰণ, হ্ৰস্বকালৰ দৰে দীৰ্ঘকালতো উৎপাদন প্ৰতিষ্ঠানে অস্বাভাৱিক লাভ উপাৰ্জন কৰিব পাৰে (সকলো উৎপাদনকাৰীৰ দৰে একচেটিয়া উৎপাদনকাৰীৰ প্ৰধান উদ্দেশ্য হৈছে সৰ্বাধিক আৰ্থিক মুনাফা উপাৰ্জন। এনে লক্ষ্যত উপনীত হ'বলৈ আন সকলো উৎপাদনকাৰীৰ দৰেই একচেটিয়া উৎপাদনকাৰীয়েও তেওঁৰ উৎপাদিত দ্ৰব্যৰ প্ৰান্তিক আয় বা বিক্ৰীলব্ধ ধন আৰু প্ৰান্তিক ব্যয়ৰ সমতাৰ ভিত্তিত উৎপাদনৰ ভাৰসাম্য প্ৰতিষ্ঠা কৰে। কাৰণ যি পৰ্যন্ত তেওঁৰ উৎপাদিত দ্ৰব্যৰ প্ৰান্তিক ব্যয়তকৈ প্ৰান্তিক আয় বা বিক্ৰীলব্ধ ধন অধিক হৈ থাকে সেই পৰ্যন্ত অতিৰিক্ত দ্ৰব্য উৎপাদনৰ জৰিয়তে মুঠ লাভ আৰু উৎপাদন বৃদ্ধি হয়। কিন্তু যেতিয়া তেওঁৰ  প্ৰান্তিক ব্যয় আৰু প্ৰান্তিক আয় বা বিক্ৰীলব্ধ ধন সমান হয় তাৰ পাছত উৎপাদন বৃদ্ধি কৰিলে তেওঁৰ উৎপাদিত দ্ৰব্যৰ প্ৰান্তিক আয় বা বিক্ৰীলব্ধ ধনতকৈ প্ৰান্তিক ব্যয়ৰ পৰিমাণ অধিক হয় আৰু অতিৰিক্ত উৎপাদিত গোটৰপৰা লোকচান হোৱাৰ কাৰণে তেওঁৰ মুঠ লাভৰ পৰিমাণ কমি যায়। গতিকে বিবেচক

ব্যৱসায়ী হিচাপে তেওঁ উৎপাদিত দ্ৰব্যৰ প্ৰান্তিক আয় বা বিক্ৰীলব্ধ ধন আৰু প্ৰান্তিক ব্যয় যেতিয়া সমান হয় তেতিয়াই উৎপাদন বৃদ্ধি বন্ধ কৰি উৎপাদনৰ ভাৰসাম্য প্ৰতিষ্ঠা কৰে আৰু সৰ্বাধিক লাভ উপাৰ্জনৰ অৱস্থাত উপনীত হয়।

১.২ নং তালিকাৰ সহায়ত একচেটিয়া উৎপাদনকাৰীৰ প্ৰান্তিক উপাৰ্জন বা বিক্ৰীলব্ধ ধন আৰু প্ৰান্তিক ব্যয়ৰ সমতাৰ ভিত্তিত হ্ৰস্বকালীন ভাৰসাম্য নিৰ্ধাৰণ ব্যাখ্যা কৰা হৈছে।

তালিকা নং ১.২

**একচেটিয়া উৎপাদন প্ৰতিষ্ঠানৰ উপাৰ্জন আৰু ব্যয়ৰ তালিকা (আনুমানিক) (টকাৰ মানত)**


| উৎপাদনৰ গোট গড় | উপাৰ্জন বা দৰ | মুঠ উপাৰ্জন | মুঠ ব্যয় | গড় ব্যয় | প্ৰান্তিক ব্যয় | প্ৰান্তিক আয় | লাভ/ লোকচান (+/–) |
|---|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ |
| ১ | ২০ | ২০ | ২৫ | ২৫ | ৪৫ | ২০ | – ৫ |
| ২ | ১৮ | ৩৬ | ৩৫ | ১৭.৫০ | ১০ | ১৬ | + ১ |
| ৩ | ১৬ | ৪৮ | ৪২ | ১৪ | ৭ | ১২ | + ৬ |
| ৪ | ১৪ | ৫৬ | ৫০ | ১২.৫০ | ৮ | ৮ | + ৬ |
| ৫ | ১২ | ৬০ | ৬০ | ১২ | ১০ | ৪ | ০ |
| ৬ | ১০ | ৬০ | ৭২ | ১২ | ১২ | ০ | – ১২ |
| ৭ | ৮ | ৫৬ | ৮৪ | ১২ | ১৬ | – ৪ | – ৮ |

১.২ আনুমানিক তালিকাৰ পৰা আমি দেখিবলৈ পাইছো যে যেতিয়া একচেটিয়া ব্যৱসায়ীৰ প্ৰান্তিক ব্যয় আৰু প্ৰান্তিক আয় সমান হৈছে তেতিয়াই মুঠ উপাৰ্জন আৰু মুঠ ব্যয়ৰ পাৰ্থক্যৰ ভিত্তিত নিৰ্ধাৰণ কৰা লাভৰ পৰিমাণ সৰ্বাধিক হৈছে। উৎপাদনৰ ৫ম গোটটোৰ পৰা প্ৰান্তিক ব্যয় প্ৰান্তিক আয়তকৈ অধিক হৈছে আৰু লাভৰ পৰিমাণো নেতিবাচক হৈছে। গতিকে সৰ্বাধিক লাভ আহৰণৰ কাৰণে প্ৰান্তিক আয় আৰু প্ৰান্তিক ব্যয়ৰ সমতাৰ ভিত্তিত ভাৰসাম্য প্ৰতিষ্ঠা কৰাটো অপৰিহাৰ্য।

সকলো উৎপাদন প্ৰতিষ্ঠানৰ দৰেই একচেটিয়া ব্যৱসায়ৰ ভাৰসাম্য প্ৰান্তিক ব্যয় আৰু প্ৰান্তিক আয়ৰ সমতাৰ ভিত্তিত প্ৰতিষ্ঠা হয়। তদুপৰি ভাৰসাম্য প্ৰতিষ্ঠাৰ কাৰণে দ্বিতীয় প্ৰয়োজনীয় অৱস্থা হৈছে— প্ৰান্তিক ব্যয় ৰেখাই উৎপাদন প্ৰতিষ্ঠানৰ প্ৰান্তিক উপাৰ্জন ৰেখাক সদায় তলফালৰপৰা ছেদ কৰাটো প্ৰয়োজন। প্ৰান্তিক ব্যয় ৰেখাই প্ৰান্তিক উপাৰ্জন ৰেখাক ওপৰফালৰ পৰা ছেদ কৰিলে ভাৰসাম্য অথবা সৰ্বাধিক লাভ আহৰণৰ বিন্দুত উপনীত হ'ব পৰা নাযায়। কাৰণ, এনে অৱস্থাত প্ৰান্তিক ব্যয় ৰেখা নিম্নগামী হৈ থাকে আৰু উৎপাদন প্ৰতিষ্ঠানৰ উৎপাদন বৃদ্ধি পালে লাভৰ পৰিমাণ পুনৰ ইতিবাচক হয়; কিন্তু প্ৰান্তিক ব্যয় ৰেখাই প্ৰান্তিক আয় ৰেখাক তলফালৰ পৰা ছেদ কৰাৰ পাছত উৎপাদন বৃদ্ধি কৰিলে লাভ পুনৰ ইতিবাচক হ'ব নোৱাৰে, কাৰণ এনে অৱস্থাত উৰ্ধ্বগামী প্ৰান্তিক ব্যয় ৰেখাৰ কাৰণে লাভ নেতিবাচক হোৱাটো স্বাভাৱিক। সকলো উৎপাদন প্ৰতিষ্ঠানৰ ভাৰসাম্য প্ৰতিষ্ঠাৰ কাৰণে এই দুটা অৱস্থা পূৰণ কৰাটো অপৰিহাৰ্য।

১.২ নং চিত্ৰৰ সহায়ত একচেটিয়া ব্যৱসায়ীয়ে প্ৰান্তিক বিক্ৰীলব্ধ ধন আৰু প্ৰান্তিক ব্যয়ৰ সমতাৰ ভিত্তিত কেনেভাৱে ভাৰসাম্য প্ৰতিষ্ঠা কৰে তাৰ ব্যাখ্যা কৰা হৈছে।

চিত্ৰত একচেটিয়া ব্যৱসায়ীৰ গড় আয় আৰু প্ৰান্তিক আয় ৰেখা ওপৰৰ বাওঁফালৰ পৰা সোঁফালৰ তললৈ গতি কৰিছে। এইটো স্বাভাৱিক, কাৰণ একচেটিয়া ব্যৱসায়ীয়ে যিমানে অতিৰিক্ত দ্ৰব্য বিক্ৰী কৰে সিমানে সেইবোৰৰ দাম কমি আহে। সেই কাৰণে গড় আয় আৰু প্ৰান্তিক আয় কমি যায়। অৱশ্যে এনে ক্ষেত্ৰত গড় আয় সদায় প্ৰান্তিক আয় ৰেখাৰ ওপৰত থাকে। চিত্ৰত হ্ৰস্বকালীন প্ৰান্তিক ব্যয় ৰেখাই (MC) প্ৰান্তিক আয় (MR) ৰেখাক N বিন্দুত কাটিছে। গতিকে একচেটিয়া ব্যৱসায়ীৰ উৎপাদিত দ্ৰব্যৰ পৰিমাণ হ'ব OM আৰু দাম হ'ব OP। একচেটিয়া ব্যৱসায়ীৰ OM উৎপাদনৰপৰা মুঠ আয়ৰ পৰিমাণ হৈছে OM × OP=OMQP। একচেটিয়া




চিত্ৰ নং ঃ ২১.২

ব্যৱসায়ীৰ OM উৎপাদিত দ্ৰব্যৰ মুঠ উৎপাদনৰ ব্যয় হৈছে OM × OC=OMKC। একচেটিয়া ব্যৱসায়ীৰ লাভৰ পৰিমাণ হৈছে OMQP–OMKC=CKQP। চিত্ৰত CKQP বৰ্গক্ষেত্ৰই একচেটিয়া ব্যৱসায়ৰ মুঠ লাভৰ নিৰ্দেশ দিছে।

উল্লেখযোগ্য যে হ্ৰস্বকালীন অৱস্থাত পূৰ্ণ প্ৰতিযোগিতাৰ উৎপাদন প্ৰতিষ্ঠানৰ দৰে একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠানৰ ভাৰসমতা ইয়াৰ উৎপাদিত দ্ৰব্যৰ দৰ গড় ব্যয়তকৈ অধিক অথবা গড় ব্যয়ৰ সমান অথবা গড় ব্যয়তকৈ কম হ'ব পাৰে। যদি প্ৰান্তিক ব্যয় আৰু প্ৰান্তিক আয়ৰ সমতাৰ চৰ্ত পূৰণ হোৱাৰ অৱস্থাত প্ৰতিষ্ঠানখনৰ উৎপাদিত দ্ৰব্য দৰ ইয়াৰ গড় দ্ৰব্যতকৈ অধিক হয় (P>AC), তেতিয়া ওপৰৰ ১.২ নং চিত্ৰত দেখুওৱাৰ দৰে অস্বাভাৱিক লাভ উপাৰ্জন কৰে। যদি উক্ত ভাৰসমতাৰ অৱস্থাত প্ৰতিষ্ঠানখনৰ উৎপাদিত দ্ৰব্যৰ দৰ ইয়াৰ গড় ব্যয়ৰ সমান হয় (P = AC), তেতিয়া স্বাভাৱিক লাভ উপাৰ্জন কৰে। অন্যহাতে, যদি প্ৰতিষ্ঠানখনৰ ভাৰসমতাৰ অৱস্থাত (MR = MC) ইয়াৰ উৎপাদিত দ্ৰব্যৰ দৰ গড় ব্যয়তকৈ কম হয় (P < AC), তেতিয়া ই লোকচানৰ সন্মুখীন হয়। হ্ৰস্বকালৰ এখন লোকচান ভৰা উৎপাদন প্ৰতিষ্ঠানে উৎপাদন কাৰ্য চলাই যাব পাৰে যদি ইয়াৰ উৎপাদিত দ্ৰব্য বিক্ৰী কৰি মুঠ পৰিৱৰ্তনীয় ব্যয়খিনি সংগ্ৰহ কৰিবলৈ সক্ষম হয়। অৰ্থাৎ হ্ৰস্বকালত P = AVC চৰ্ত পূৰণৰ অৱস্থাত এখন লোকচান ভৰা একচেটিয়া উৎপাদন প্ৰতিষ্ঠানে উৎপাদন কাৰ্য চলাই থাকিব পাৰে। কিন্তু যদি প্ৰতিষ্ঠানখনৰ গড় পৰিৱৰ্তনশীল ব্যয় ইয়াৰ উৎপাদিত দ্ৰব্যৰ দৰতকৈ অধিক হয়, তেতিয়া ব্যৱসায় বন্ধ কৰাৰ কোনো বিকল্প নেথাকে।

ইয়াৰ উপৰি একচেটিয়া ব্যৱসায়ৰ হ্ৰস্বকালীন ভাৰসমতাৰ আন এটা বৈশিষ্ট্য হৈছে ভাৰসমতাৰ অৱস্থাত এনে প্ৰতিষ্ঠান কাম্য (Optimum) উৎপাদনৰ চৰ্তত উপনীত নহয়। অৰ্থাৎ গড় উৎপাদনী ব্যয় ৰেখাই ইয়াৰ নিম্নতম অৱস্থাত উপনীত হোৱাৰ পৰাই ভাৱমসতা প্ৰতিষ্ঠা হয়। এই বিষয়ে ১.২ নং চিত্ৰৰ পৰা উপলব্ধি কৰিব পাৰি। বিগত প্ৰতিষ্ঠানখনে MR = MC চৰ্তৰ বিভিন্ন N বিন্দুত ভাৰসমতা প্ৰতিষ্ঠা কৰা অৱস্থাত গড় ব্যয় নিম্নতম হোৱা নাই।